# আমাৰ এ.পি.এল.

**ĀMĀR APL** Vol-007 | April & July 2022


## CONTRIBUTION TO THE CHIEF MINISTER'S RELIEF FUND



Sri Bikul Ch. Deka, Chairman of our Company accompanied by Sri Hemanta Gogoi, Vice -Chairman, Sri Rajnesh Gogoi, Managing Director, Sri Pramod Kr. Prasad, Director (Finance) and other top officials handed over a cheque of Rupees One Crore only to Dr. Himanta Biswa Sarma, Hon'ble Chief Minister, Assam on 16.06.2022 as a contribution to the Chief Minister's Relief Fund,Assam in the gracious presence of Sri Bimal Bora, Hon'ble Minister of Industries & Commerce and Public Enterprises Department etc , Govt. of Assam and Sri Taranga Gogoi , Hon'ble MLA, Naharkatia LAC.



## CMD, OIL VISITED APL

We are grateful to Sri Sushil Chandra Mishra, Hon'ble CMD; Sri Harish Madhav, Director(Finance); Sri Pankaj Kumar Goswami, Director (Operations); Sri Prasanta Borkakoty, RCE; Sri Atindra Roychoudhury, ED (Production & Services) from OIL India Limited for their valuable suggestions and support rendered for the greater good of our company.

Along with them, few members of the Board of Directors of APL visited our head office and the ongoing 500 TPD Methanol Project on 15.03.2022.

## VISIT OF HON'BLE MINISTER OF INDUSTRIES & COMMERCE

The Hon'ble Minister of Industries & Commerce and Public Enterprises Department etc. Govt. of Assam, ,Sri Bimal Bora along with Shri Oinam Sarankumar Singh, IAS, the Commissioner of Industries and Commerce





Department, Govt. of Assam and other officials visited our Head Office on 21.06.2022 and took stock of progress of our Company's new projects and future prospects.

Shri Bikul Ch. Deka, Chairman of our company in presence of Shri Hemanta Gogoi, Vice-Chairman, Shri Rajnesh Gogoi, Managing Director, Shri Pramod Kr. Prasad, Director (Finance) and other senior officials accorded warm welcome to the Hon'ble Minister and other officials on their visit.

We are grateful to our Hon'ble Minister for his valuable advice and suggestions to achieve our future goals.




## COMPANY'S EXHIBITION

On the very occasion of 91st Annual Conference of Srimanta Sankardev Sangha held at Naharkatia, Dibrugarh from 25.02.2022 to 27.02.2022, our company exhibited a stall showcasing the Production process along with safety measures, it's journey of 50 years, CSR activities, its core business and future prospects.

We extend our sincere thanks to all the visitors for showing their keen interest during the exhibition.







## MESSAGE FROM CHAIRMAN



I am glad to know that the Editorial Committee is going to publish the seventh issue of our Quarterly Newsletter 'Amar APL' the mirror of our organization. Therefore I express my heartiest gratitude to them for keeping this momentum intact with their utmost dedication.

It's a matter of immense pride that in the last FY 2021-22, APL was able to achieve a record-breaking turnover of Rs. 125.93 crore including the highest ever profit of Rs. 22.68 crore, adding to the glory of this Public State Govt. Undertaking Organization that has completed 50 Glorious Years of existence. Therefore, my heartiest congratulations and gratitude to all the employees of APL who have been always committed to strive towards their job responsibilities that emanates from the prime factor i.e. the work spirit that every organization requires for sustainability and growth.

Furthermore, the successful execution of the SHUT-DOWN process of our existing plants by dint of dedication and effort exhibited by our employees within a remarkable short period of time was really inspiring and I am confident that in near future we will be able to get a core position in the petrochemicals sector of our country.

We are now in a most challenging and crucial phase of our company which is ambitiously marching towards the commissioning of the 500 TPD Methanol Plant. We have been successfully executing the pre-commissioning activities with our dedicated work force and will be able to complete this dream project very soon.

Through this platform 'Amar APL' I also sincerely acknowledge the effort put forward by our forebearers of APL fraternity who have always dedicated themselves for the greater good of this company.

Lastly, I wish all success to the employees of APL for their utmost perseverance and hard work for the upliftment of this organization and also pray for the families and their loved ones affected by the devastating Natural Calamities.

**BIKUL CH. DEKA**

## উপাধ্যক্ষৰ একলম



জয়জয়তে “আমাৰ এ.পি.এল.” ৰ সম্পাদনা সমিতিৰ লগতে বার্তালোচনীখনত অৱদান আগবঢ়োৱা প্রতিগৰাকী লেখক-লেখিকা আৰু এ.পি.এল. পৰিয়ালবর্গলৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

এ.পি.এল. ৰ সন্মানীয় উপাধ্যক্ষ পদ পূৰণ কৰাৰ দিনৰে পৰা উদ্যোগটিৰ লগত সাধ্যানুসৰি জড়িত হবলৈ চেষ্টা কৰি আহিছো আৰু এ.পি.এল. ৰ প্রতিজন বিষয়া কর্মচাৰীৰ সততা, নিয়মানুৱৰ্তীতা আৰু কর্মদক্ষতা দেখি মই অতিশয় গৌৰৱ অনুভৱ কৰিছো।

আমাৰ সকলোৰে বাবে আশাৰ বতৰা যে দৈনিক ৫০০ মেট্রিক টন উৎপাদনক্ষম মিথানল প্রকল্পটিক আমি অতি সোনকালে সম্পূর্ণ কৰি তুলিবলৈ আগবাঢ়িছো। মই ভাবো এইয়া আমাৰ সকলোৰে বাবে এক বৃহৎ প্রত্যাহ্বান আৰু এই প্রত্যাহ্বান আমি সকলোৱে সন্মিলিত প্রচেষ্টাৰে সন্মুখীন হ'ব লাগিব আৰু এ.পি.এল. ক এক অন্যতম পেট্ৰ'-ৰাসায়নিক উদ্যোগ হিচাৱে বিশ্ব দৰবাৰত প্রতিষ্ঠিত কৰিব লাগিব।

আশা কৰিছো সোণালী জয়ন্তী বর্ষ গৰকা এ.পি.এলে. আৰু ৫০ বছৰ আগুৱাই যাওঁক আৰু অসমৰ ঔদ্যোগিক জগতৰ ভোটা তৰা হিচাপে জিলিকি ৰওঁক।

জয়তু এ.পি.এল।।

**হেমন্ত গগৈ**

## PHOTO STORY



Former Hon'ble Minister of Industries & Commerce and Public Enterprises etc. Govt. of Assam visited APL dated 03.04.2022.



Hon'ble Union Cabinet Minister in the Ministry of Ports, Shipping and Waterways & Ministry of Ayush, Govt. of India , Sri Sarbanada Sonowal at APL Head Office on 26.02.2022.



51st National Safety Day



Felicitaion of Dr. Shah Mohammad Tanvir Monsur, Assistant High Commissioner of People's Republic of Bangladesh, at Guwahati on 19.02.2022.



May Day 2022





Company's participation in the Pradhan Mantri National Apprenticeship Mela held at ITI, Tinsukia dated 13.06.22



Representatives from APL Workers' Union visited Company's Boitamari Project Site dated 04.04.2022

## MESSAGE FROM MD'S DESK



Dear Colleagues

I feel glad to know that the editorial team of our newsletter left no stone unturned to continue the legacy of 'Amar APL' , signifying the birth of APL. Here I am delivering few words of appreciation to those who brought forth this veteran concept of keeping the spirit and momentum purely documented in the form of a Journal when there was no easy and afordable access to Information and Communication Technologies.

Neither we can survive in our present nor can we plan for our future without considering the dedications and spirits of our forebearers . 'Amar APL' , the documented legacy of our organisation has emerged successfully once again. A collective effort of every member of the workforce is the core of survival of this legacy thereby shaping our present and our dreams.

Projects and perspectives are the part and parcel for the sustainability and growth of an organisation where documented archives always serve as the imperative medium to inspire the future generations to learn from the past to give their best foot forward for the greater good. In a nutshell, we can say a newsletter always serves as the mirror of an organisation. We have resolute APLians who have always dreamt of and dedicated to do their best for APL.

It's been an absolute honour to have you all who are always committed to strive for completion of our ongoing projects facing the odds and obstacles and also the dedication and effective completion of the most crucial and challenging 'SHUT -DOWN' process of the existing plants.

Moreover, power and success comes with more challenges and responsibilities. There are many obstacles to come and much more to be resolved. The increasing NG prices have become a great challenge for all of us which needs to be tackled with necessary measures and with the commissioning of new projects we ought to search new avenues to sell our products on a large scale.

Last but not the least let us hope for the best and pray for those who lost their lives and their loved one's during the devastating calamities caused by nature. !!

Best wishes to 'Amar APL'

**RAJNESH GOGOI**

## MESSAGE FROM DIRECTOR (FINANCE)



I am truly grateful to be a part of APL Family since April 2022 and at the onset I would like to bestow my gratitude to the Newsletter Editorial Committee for successful publication of 'Amar APL' earlier issues and hope that the current issue along with upcoming ones will keep the momentum of the company as the mirror of the organization.

I think it's a great opportunity for me to write for the first time from this prestigious desk. I feel glad to know that APL has completed 50 years of its journey in service to the nation recently and I think that it's a historical achievement by such a public sector undertaking unit. Kudos to all the dedicated manpower and forbearers of APL for keeping the pace of success despite all the odds and obstacles.

Besides our dedicated workforce had left no stone unturned to complete the restoration of the existing unit during SHUT -DOWN in a very remarkable short span of time which has proved that together we can achieve more and I hope that the spirit will continue in future to achieve more goals.

Along with it, we are on the last phase of commissioning of our ongoing 500 TPD project, hence we all have to prepare ourselves to give our ever best for successful completion of the project.

Moreover, due to the hike in the price of Natural Gas we all have to follow few cost cutting measures and i hope that everyone will support them for the survival and greater good of this prestigious public sector unit .

Lastly, I wish best of luck to our newsletter 'Amar APL' and it's Editorial Team and hope for the best of the company.

**PRAMOD KR. PRASAD**

### জীৱন

জীৱন, সচাঁই বিচিত্ৰ
বৈ যায় থমকি নৰয়।
দুদিনীয়া জীৱনত
ঘাত-প্ৰতিঘাতবোৰ হওঁক
জলছৱিৰ দৰে,
সাগৰৰ বিশালতাৰ দৰে
সুখবোৰ,
বজ্ৰ কঠিন শিলৰ দৰে
দুঃখবোৰ,
আৰু সপোনবোৰ ছগাৰ দৰে।
গতিশীল সময়ৰ ধামখুমীয়াত
উত্থান পতনৰ
নিৰন্তৰ জলকেলি,
তাৰ মাজতো আছে
উদিত সূৰ্য্যৰ প্ৰত্যাশাপূৰ্ণ
ৰাঙলী আভাৰ স'তে
নীলাভ আকাশৰ উদাৰতাক
চুমি ৰোৱা
কৃষ্ণচূড়াৰ ৰঙা
আৰু সোণাৰুৰ হালধীয়াৰে
হৃদয়ৰ পৰা হৃদয় জুৰোৱা
আশা-আকাংক্ষাৰে ভৰা
জীৱনৰ
অনুপম মাদকতা।

**শ্ৰীমতী বিনীতা বৰুৱা বুঢ়াগোহাঁই**
**W/o জয়ন্ত বুঢ়াগোহাঁই**

## BUSINESS MEET



A high level business meeting was held at Janata Bhawan, Dispur on 16th March, 2022 under the chairmanship of Sri Chandra Mohan Patowary, former Hon'ble Minister of Industries, Commerce and PE Department, Govt. of Assam in presence of Sri K.K. Dwivedi, IAS, Principal Secretary to the Govt. of Assam, Industries and Commerce Department to discuss about the avenues pertaining to the exportation of Methanol and Formalin to Bangladesh.

His Excellency Dr. Shah Md. Tanvir Monsur, Asstt. High Commissioner of Bangladesh, Guwahati and Shri Sunit K. Paladhi, Special Representative of Hon'ble Information and Broadcasting Ministry of People Republic of Bangladesh were present in the meet.

Besides, senior officials of APL ,Sri Bikul Ch. Deka, Chairman, Sri Hemanta Gogoi, Vice-Chairman, Sri Rajnesh Gogoi, Managing Director along with Company Secretary and DGM(L&F) were also present and discussed on future business opportunities in Bangladesh.

## DOCTOR V/S ENGINEER

"*How many of you want to become Doctors?*", asked the professor at the INSPIRE Winter Camp for school children at IIT-G, 2009. Half of the students raised their hands. "Engineers?". The rest raised their hands. The professor then asked, "*Who will then run our country?!*". The metaphor was to make people realise or instill in the minds of the young ones of the diverse professions and occupations to be chosen from in the future. Surprisingly ironical is the fact that people still consider our passions as "co-curricular" or "extra-curricular". We as students, follow the crowd. Only a few successfully convert their passions into professions. Equal importance in all facets is the essence of life. The ability to create more satisfied professionals and happier individuals in the long run, because they work in their passion areas, is one of the strongest aspects of National Education Policy, 2020. Let's not make our lives boring...!

**Dipankar Kakati**

## বিদায় পৰত

সৌ সিদিনাৰহে কথা যেন
সকলোবোৰ দেখোন মনতেই আছে
এটা টিনৰ ক'লা চুটকেচ
কেইখনমান ভাল লগা কিতাপ
আৰু বুকুৰ মাজত
আলফুলে কঢ়িয়াই ফুৰা
এসোপামান সেউজীয়া সপোন।

ক'তেইবা আছিলা তুমি
ক'তেইবা আছিলো মই
ঢপলিয়াই আহিছিলো সকলোটি এদিন
এই লোহা আৰু যন্ত্ৰৰ দেশলৈ।
কত ঘৰ্মাক্ত দুপৰীয়া
কত বিনিদ্ৰ ৰজনী
কটাইছিলো তোমাৰ স'তে
কোননো পৰ কোননো আপোন
সকলোবোৰেই দেখোন বুকুৰ কুটুম।

ৰং-ধেমালি, হাঁহি-কান্দোন
মাজে মাজে অলপ
মান-অভিমান, কিছু ঠেঁহ-পেছ
এয়াইতো জীৱন।
যন্ত্ৰৰ মাজত থাকিও
যান্ত্ৰিকতাত ডুব নোযোৱা
সপোন দেখিও সপোনত
হেৰাই নোযোৱা
জিলমিল এজাক জোনাকী পৰুৱা।

যন্ত্ৰৰ কল্লোলিত শৰদত
প্ৰাণ পায় উঠে সৰু চহৰখনৰ
সোণাৰু-কৃষ্ণচূড়াৰ আৱেষ্টনীত
শুই থকা সৰু কলনীখন
সজীৱ হ'ই উঠে মনবোৰ
আকুলতাৰে প্ৰতীক্ষা কৰি থাকে
সেই ছন্দোৱদ্ধ শৰদৰ বাবে।

দিনবোৰ মাহ হয়
মাহবোৰ বছৰ হয়
দুৰন্ত গতিত পাৰ হৈ যায় সময়বোৰ
পাখি লগা কাঁড়ৰ দৰে।
সুখ-দুখ, পোৱা-নোপোৱাৰ
হিচাপ কৰি থাকোতেই
চকুৰ পলকতে
স্মৃতিত বিলীন হয় সকলো
ৰৈ যায় মাথো সোঁৱৰণী হৈ।

বৰ্তমানবোৰো এদিন অতীত হয়
অতীতবোৰ মৰহি যায়
পাহৰি যায় সকলোৱেই
সেই সোণালী অতীতৰ বাবেইযে
আজিৰ এই বৰ্তমান।



আৰু এই বৰ্তমানৰ বুকুতে
সুপ্ত হৈ আছে
স্বপ্নময় ভৱিষ্যতৰ গভীৰ প্ৰত্যাশা।

হঠাতে আধাবাটতে হেৰাই যায়
কোনোবাজন কেতিয়াবা
গুছি যায় অজান্তি-মুলুকলৈ
কাকো একো নোকোৱাকৈয়ে
কিমানবা অভিমান বুকুত সাৱটি।

টিনৰ বাকচটো এদিন পুৰণি হয়
চকলা-চকলে সৰি পৰে মামৰবোৰ
ক'লা চুলিবোৰেও ৰূপোৱালী বোল সানি
জাননী দি যায় ক্ষণ গণাৰ বতৰা।

আৰু এদিন এনেকৈয়ে
ধূসৰ হৈ যায় অতীতবোৰ
এখন এখনকৈ অদৃশ্য হৈ যায়
চিনাকি মুখবোৰ।

হঠাৎ ঘুনুক-ঘানাককৈ শুনা খবৰ এটা
ভাঁহি আহিব হয়তো এদিন
বতাহত কোনোবাদিনা
"অ', — কথাটো হয় নেকি?"
"হয়, হয়, --- মনত পৰিছে।"
নকবা আকৌ তেতিয়া হাঁহি হাঁহি
"ভালেই হ'ল দিয়া"
বৰ দুখ পাম।
আকাশৰ পৰাই চাই থাকিম
সপোন সপোন লগা মোৰ
হেঁপাহৰ এপিএল খনি।

**মনোজ্যোতি বৰগোহাঁই**

সম্পাদকীয়

## আমাৰ এ.পি.এল.

প্ৰতিষ্ঠা কালৰে পৰা এ.পি.এল. ৰ লগত অতি নিবিড়ভাৱে জৰিত প্ৰত্যেকৰে বাবে "আমাৰ এ.পি.এল." এই শব্দ দুটা হৈ আহিছে এক প্ৰবল সন্মোহনী শক্তিৰ উৎস স্বৰূপে, অনুভৱ কৰি আহিছে শব্দ দুটাৰ বুকুত প্ৰোথিত হৈ থকা সুতীব্ৰ ভাবাকোৰ প্ৰতি এক মায়াৱী আকৰ্ষণ।

আমাৰ ঘৰ বুলিলে যেনেকৈ আমি পৰিয়ালৰ সকলোটি সদস্য এক গভীৰ আত্মীয়তাৰ এনাজৰীৰে বান্ধ খাই পৰস্পৰৰ সুখ-দুখৰ সমভাগী হওঁ, আমাৰ গাওঁ বুলিলে দূৰ-দূৰান্তত থাকিও ওপজা গাওঁখনিৰ শ্ৰীবৃদ্ধি কামনা কৰো, আমাৰ স্কুল বুলিলে সময়ৰ পাখি লগা ঘোঁৰাত উঠি শৈশৱৰ ৰঙীন দিনবোৰলৈ মনবোৰ উৰা মাৰি পুলকিত হয়, আমাৰ দেশ বুলিলে আত্মোৎসৰ্গৰ এক সুগভীৰ চেতনাৰে মন উদ্বুদ্ধ হৈ উঠে, ঠিক তেনেকৈ "আমাৰ এ.পি.এল." বুলিলেও সেই তাহানিৰে পৰা আত্মীয়তাৰ ডোলেৰে বান্ধ খাই থকা প্ৰতিজন এপিলিয়ানে পুলকিত হৃদয়ৰে উদ্যোগ প্ৰতিস্থানটিৰ শ্ৰীবৃদ্ধি কামনা কৰি উদ্বুদ্ধ হৈ উঠে।

সকলোতে পৰিৱৰ্তনৰ ঢৌৰে খুন্দা মৰাৰ দৰে এ.পি.এল.ৰ বুকুলৈও আজি পৰিৱৰ্তনৰ ঢৌ আহিছে। পাঁচটা দশক অতিক্ৰম কৰা প্ৰতিস্থানটিৰ জন্মলগ্নৰ পুৰধা ব্যক্তিসকলে কোন কাহানিবাই অৱসৰ গ্ৰহণ কৰিছে অথবা বহুজনে হয়তো ইহ সংসাৰৰ পৰাই মেলানি মাগিছে। আশী-নব্বৈৰ দশকত আহি প্ৰতিস্থানটিক সজীৱতা প্ৰদান কৰি আগবঢ়াই লৈ যোৱাত অগ্ৰণী ভূমিকা লোৱা ব্যক্তিসকলৰো গৰিষ্ঠ সংখ্যকেই কৰ্মজীৱনৰ অন্তিম ক্ষণত উপনীত হৈছেহি।

এনে স্থলত উদ্যোগ প্ৰতিস্থানটিক সৰ্বক্ষেত্ৰতে উন্নতিৰ শিখৰলৈ লৈ যোৱাৰ ক্ষেত্ৰত পৰৱৰ্তী প্ৰজন্মৰ নৱাগতসকলৰ ওপৰত অতি গুৰু দায়িত্ব অৰ্পিত হৈছে বুলি নিঃসন্দেহে কব পাৰি। নকলেও হব হে তাৰ বাবে তেওঁলোকৰ থাকিব লাগিব প্ৰযুক্তিবিদ্যাৰ শেহতীয়া তথ্য সমৃদ্ধ জ্ঞান, অদমনীয় কৰ্মস্পৃহাৰ লগতে সৰ্বোপৰি প্ৰতিস্থানটিৰ প্ৰতি এক উৎসৰ্গীকৃত মনোভাৱ।

এ.পি.এল. ক কেৰিয়াৰ গঢ়াৰ এক উৎকৃষ্টতম জখলা হিচাবে মাত্ৰ লৈ পৰৱৰ্তী সময়ত অন্য বৃহত লাভজনক ৰাষ্ট্ৰীয় অথবা বহুজাতিক প্ৰতিষ্ঠানত নিযুক্তিৰ আশাৰে বাট চাই থকাতকৈ এ.পি.এল. ক সেই বৃহত ঔদ্যোগিক প্ৰতিষ্ঠানসমূহৰ সৈতে সমানে ফেৰ মাৰি কাৰিকৰী, আৰ্থিক আৰু বাণিজ্যিক ক্ষেত্ৰত দেশৰ ভিতৰত এক অন্যতম স্বচ্ছল অগ্ৰণী উদ্যোগ প্ৰতিস্থান হিচাবে প্ৰতিষ্ঠিত কৰি গঢ়ি তোলাৰ ওপৰত গুৰুত্ব দিয়াটোহে লক্ষ্য হিচাবে লোৱা উচিত।

৫০০ টনৰ নতুন মিথানল প্ৰকল্পটোৰ উৎপাদনৰ দিন চমু চাপি অহাৰ প্ৰাক ক্ষণত বৰ্তমান উৎপাদনক্ষম হৈ থকা মিথানল আৰু ফৰ্মেলিন গোট দুটাৰ বহু প্ৰতীক্ষিত কাৰিকৰী মেৰামতিৰ কাম সুচাৰুৰূপে সম্পন্ন হোৱাৰ অন্তত সফলতাৰে উৎপাদন প্ৰক্ৰিয়া আৰম্ভ হৈছে। মেৰামতি বিভাগৰ কেওটা শাখাই আন সংশ্লিষ্ট বিভাগ সমূহৰ সক্ৰিয় সহযোগিতাত যুদ্ধকালীন ক্ষীপ্ৰতাৰে সকলো যাৱতীয় কাম নিৰ্দিষ্ট সময়ৰ ভিতৰত সমাধা কৰি এক উৎকৃষ্ট নিদৰ্শন দাঙি ধৰিলে।

উৎপাদন বিভাগৰ অভিজ্ঞতাৰে সমৃদ্ধ জ্যেষ্ঠ আৰু উজ্জীৱিত তাৰুন্যৰ সমূহীয়া প্ৰচেষ্টাত মাহ জোৰা প্ৰতীক্ষা, উৎকণ্ঠাৰ অন্তত আকৌ প্ৰাণ পায় উঠিল "আমাৰ এ.পি.এল."। পাটকাইৰ নুমলীয়া জী "এ.পি.এল." যেন পুনৰ এবাৰ লাস্যময়ী বেশেৰে ভৰযৌৱনা হ'ল।

আমাৰ সন্মানীয় লেখকসকলৰ লগতে সম্পাদনা সমিতিৰ সদস্যসকলো শ্বাটডাউন আৰু তাৰ পৰৱৰ্তী পদক্ষেপসমূহৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত হৈ থাকিব লগা হোৱাৰ বাবে, লগতে পূৰ্বতেও সততে সন্মুখীন হোৱা লেখাৰ (Write Up) অভাৱৰ বাবে এইবাৰৰ সংখ্যাটি এপ্ৰিল আৰু জুলাই দুয়োটা মাহৰে যুটীয়া সংখ্যা হিচাবে প্ৰকাশ কৰিবলগীয়া হ'ল।

১৯৭৮ চনৰ পৰাই এৰাধৰাকৈ প্ৰকাশ হৈ থকা বাৰ্তালোচনীখনৰ ভৱিষ্যত সম্পৰ্কত অগ্ৰজ সম্পাদকসকলৰ দৰেই মাজেমাজে সন্দিহান হৈ পৰাৰ মুহূৰ্ততে কিন্তু এক গভীৰ আশাবাদে মন জীপাল কৰি তোলে— যেতিয়া কোন কাহানিবাই অৱসৰ গ্ৰহণ কৰা কোনোবা প্ৰাক্তন এপিলিয়ানে ফোন কৰি সোধে - "এইবাৰ আমাৰ এ.পি.এল. খন নোলাব নেকি?" অথবা দূৰৈৰ কংক্ৰীটৰ মহানগৰীৰ কোনোবা এপাৰ্টমেন্টত থাকিও তাহানিতে কৃষ্ণচূড়া-সোণাৰুৰ তলৰ ধূলি-বালিৰ বুকুত নিজৰ শৈশৱ-কৈশোৰ এৰি থৈ অহা পুৰণি এ.পি.এল. খনৰ বিষয়ে জানিবলৈ গভীৰ উৎকণ্ঠাৰে অপেক্ষা কৰি থকা কোনোবা মাহমুদাই সোধে - "দাদা, এইবাৰো মোলৈ আমাৰ এ.পি.এল. ৰ কপি এটা পঠাব দেই।" তেতিয়া সঁচাকৈয়ে অনুপ্ৰাণিত হওঁ।

এ.পি.এল.ক সুঁৱৰি আজিও ৰোমাঞ্চিত হৈ পৰাজনৰ বাবে এ.পি.এল.ৰ প্ৰতিটো শেহতীয়া খবৰেই নতুনত্ব কঢ়িয়াই আনে, সেই সকলৰ লগতে নতুনকৈ কলম হাতত তুলি লোৱা নৱপ্ৰজন্মৰ নৱাগতসকলৰ বাবে, সকলোৰে অলক্ষিতে নীৰৱে সাহিত্য চৰ্চা কৰি থকা প্ৰতিস্থানটিৰ কৰ্মৰত মহিলা অথবা গৃহিনীসকলৰ বাবে, শিক্ষা গ্ৰহণৰ বাবে অথবা কৰ্মসূত্ৰে দূৰ-দূৰনিত থাকিব লগীয়া হৈও লেখা-মেলাৰ প্ৰতি আগ্ৰহী এ.পি.এল.ৰ সুসন্তানসকলৰ বাবেও বাৰ্তালোচনীখন নিয়মীয়াকৈ প্ৰকাশ হৈ থকাটো বাঞ্চনীয়।

এই ক্ষেত্ৰত সৰ্বত্ৰে দেখা দিয়া অনীহা আৰু উদাসীনতাৰ পৰিবৰ্তে কিছু প্ৰতিক্ৰিয়া, পৰামৰ্শ, সহযোগিতা সদায়েই আদৰণীয় হৈ ৰ'ব।

## অসম পেট্ৰ'কেমিকেলচ্ লিমিটেড আৰু কিছু বিক্ষিপ্ত সোঁৱৰণ।

৬০ 'ৰ দশকৰ শেষৰ ফালে অসমত বিভিন্ন সংবাদ পত্ৰৰ লেখাৰ মাজেদি অসমৰ তৈলক্ষেত্ৰ সমুহৰ উৎপাদিত বৃহৎ পৰিমাণৰ প্ৰাকৃতিক গেছৰ উপযুক্ত ব্যৱসায়িক ব্যৱহাৰৰ লক্ষ্যৰে উদ্যোগীকৰণৰ বাবে জনমত গঢ়ি উঠিছিল। ইতিমধ্যে প্ৰাকৃতিক গেছ ভিত্তিক এটি সাৰ কাৰখানা কেন্দ্ৰীয় চৰকাৰে নামৰূপত স্থাপন কৰিছিল আৰু একেধৰণে ৰাজ্যিক বিদ্যুত পৰিষদে এটি তাপ বিদ্যুত কেন্দ্ৰ তাতেই স্থাপন কৰি উৎপাদন আৰম্ভ কৰিছিল। প্ৰচুৰ গেছ তৈলক্ষেত্ৰ সমুহৰ পৰা উপলব্ধ হোৱাৰ প্ৰতি লক্ষ্য ৰাখি কেঁচা মাল ৰূপে সদব্যৱহাৰৰ বাবে এটি পেট্ৰ'কেমিকেল উদ্যোগ স্থাপন কৰাৰ দাবী উঠিবলৈ ধৰে। বহু অনুনয় বিনয়ৰ পাছতো কেন্দ্ৰীয় চৰকাৰে বিষয়টিত গুৰুত্ব নিদিয়াৰ বাবে তৎকালীন ৰাজ্য চৰকাৰে এটি পেট্ৰ'কেমিকেলচ উদ্যোগ ৰাজ্যিক খণ্ডত স্থাপনৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰি উদ্যোগ মন্ত্ৰী বিশ্বদেৱ শৰ্মাক উদ্যোগটিৰ প্ৰযুক্তি কৌশল সহ কাৰিকৰী সহযোগিতা আহৰণ সম্পৰ্কে অধ্যয়ন কৰিবলৈ জাপানলৈ প্ৰেৰণ কৰে। জাপানৰ মিটচুবিসি গেছ কেমিকেল কোম্পানীৰ সৈতে আলোচনা কৰি ঘুৰি অহাৰ পাছত চৰকাৰী ভাবে ঘোষনা কৰা হল যে ৰাজ্য চৰকাৰে ৫ কোটি টকা ব্যয় কৰি জাপানৰ কাৰিকৰী সহযোগিতাত এটি পেট্ৰ'কেমিকেলচ উদ্যোগ স্থাপন কৰিব। এই সংবাদ বাতৰি কাকতত প্ৰকাশ হোৱাৰ লগে লগে নানা মহলে সংশয় প্ৰকাশ কৰি কটাক্ষ কৰিলে - পাঁচ কোটি টকা ব্যয়ত পেট্ৰ'কেমিকেলচ অসম্ভৱ কথা। পাঁচ কোটি টকাত হয়তো এটা ডাঙৰ পেট্ৰল পাম্প বনাব পৰা যাব অৱশ্যে, ইত্যাদি ইত্যাদি। মুখ্যমন্ত্ৰী মহেন্দ্ৰ মোহন চৌধুৰীয়ে ১৯৭১ চনত নামৰূপত আধাৰ শিলা স্থাপন কৰে যদিও প্ৰকল্পটিৰ কামকাজ আৰম্ভ কৰাত যথেষ্ট পলম হয় আৰু অৱশেষত ১৯৭৩ চনৰ পৰা নিৰ্মাণ কাৰ্য আৰম্ভ হয় আৰু জাপানৰ মিটচুবিসি কোম্পানীৰ কাৰিকৰী সহযোগত ১৯৭৬ চনৰ জুন মাহৰ পৰা উৎপাদন আৰম্ভ হয়। স্বাভাবিক কাৰণতে প্ৰকল্প ৰূপায়নত বিলম্ব হোৱাৰ বাবে ৫ কোটিৰ সলনি প্ৰায় ১২ কোটি টকা ব্যয় হয়। অসম ঔদ্যোগিক উন্নয়ন নিগমৰ তত্বাৱধানত গৰিষ্ঠ মূলধনী অংশীদাৰিত্বৰে অসম পেট্ৰ'কেমিকেলচ লিমিটেডৰ জয়যাত্ৰা আৰম্ভ হ'ল, যি আছিল দেশৰ ভিতৰত প্ৰাকৃতিক গেছ ভিত্তিক প্ৰথম মিথালন উৎপাদনকাৰী উদ্যোগ। দেশৰ বিভিন্ন বিত্তীয় প্ৰতিস্থান আৰু বেংকৰ আৰ্থিক

Continued to P-6

Continued from P-5

ঋনৰ দ্বাৰা নিৰ্মাণ কৰা উদ্যোগটিৰ জন্ম যান্ত্ৰাৰ সবিশেষ উল্লেখ নকৰো।

অসম পেট্ৰকেমিকেলচ লিঃ নামৰূপত স্থাপন হোৱাটো অসমৰ ঔদ্যোগিক জগতখনৰ বাবে এক সুখবৰ বুলিকই পাৰি। এ.পি.এলৰ উৎপাদিত সামগ্ৰীয়ে স্থানীয় প্লাইউড উদ্যোগ সমূহৰ বাবে ফৰ্মেলিনৰ চাহিদা পুৰণ কৰাৰ উপৰিও বৰ্হিৰাজ্যৰ চাহিদাও পুৰণ কৰিব লগাত পৰিল। তদুপৰি দেশৰ মিথালনৰ চাহিদা পুৰণ কৰাত উদ্যোগটিয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰাৰ ফলত ক্ৰমবৰ্ধমান চাহিদাৰ বাবেই মিথালনৰ তৃতীয়টো সম্প্ৰসাৰণ গোট ৰূপায়নৰ দিশত আগ বাঢ়িছে। সুখৰ বিষয় সুপৰিচালিত এ.পি.এল আজি এক আদৰ্শ উদ্যোগ ৰূপে সৰ্বজনবিদিত।

এ.পি.এল. ৰ প্লান্ট অপাৰেচনৰ প্ৰথমটো প্ৰশিক্ষাৰ্থী দলৰ সদস্য আছিলো আমি - অসম ঔদ্যোগিক উন্নয়ন নিগমৰ অধীনত। মই ডিগবৈ তেল শোধনাগাৰত দুবছৰৰ প্ৰশিক্ষণ সমাপ্তিৰ অন্তত ১৯৭৬ চনৰ ৩১ মে'ত এ.পি.এল. ত চিনিয়ৰ প্ৰচেছ অপাৰেটৰ হিচাবে যোগদান কৰোঁ, যি সময়ত জাপানী বিশেষজ্ঞৰ তত্বাৱধানত উৎপাদনৰ কামকাজ প্ৰাৰম্ভিক অৱস্থাত আছিল। যি কি নহওঁক উৎপাদন আৰম্ভ হ'ল যদিও প্ৰাৰম্ভিক কিছু সমস্যাৰ মাজেদি উদ্যোগটি আগবাঢ়ি গ'ল। শ্ৰমিক-কৰ্মচাৰীৰ বহু সমস্যাৰ সমাধানকল্পে আন্দোলন আদিও হৈছিল। তথাপিও শ্ৰমিক-কৰ্মচাৰী-বিষয়াৰে সকলো এটি পৰিয়ালৰ দৰেই নিজ দায়িত্ব পালন কৰি গৈছিল। উল্লেখ্য সেই সময়ৰ মাঘৰ বিহুৰ উৰুকাৰ ভোজসমূহত সকলো সদস্যৰ অংশগ্ৰহণেৰে আনন্দ ফূৰ্তিৰ মাজেদি উদযাপিত কৰাৰ কথা পাহৰা সম্ভৱ নহয়।

কাৰখানাৰ কৰ্মত মই মাত্ৰ দুবছৰ হে নিয়োজিত থাকিলোঁ যিহেতু এক বিভাগীয় সাক্ষাৎকাৰৰ দ্বাৰা প্ৰশিক্ষণ বিভাগৰ দায়িত্ব লৈ প্ৰশাসনিক কাৰ্যত যুক্ত হ'লো। এ.পি.এল. ত কটোৱা মুঠ ৩০ বছৰ কালত পদোন্নতি সহ বিভিন্ন বিভাগৰ দায়িত্ব সম্পাদন কৰি মই লাভ কৰা সন্তুষ্টিৰ কথা নকলেও হ'ব।

২০০৬ চনত ৬ বছৰৰ পূৰ্বেই স্বেচ্ছামূলক অৱসৰ লোৱাৰ পাছতো এ.পি.এল. ৰ স্মৃতিয়ে লগ এৰা নাই যি অতি স্বাভাৱিক। কাৰণ চাকৰি কৰাৰ মাজতে বিভিন্ন সামাজিক সাংস্কৃতিক কামকাজৰ সৈতে জড়িত হৈ থকা সময়বোৰ আছিল আনন্দময় মূহুৰ্ত। সহকৰ্মী ভৱেশ বৰুৱা ৰ সৈতে 'আমাৰ এ.পি.এল' প্ৰকাশনত সহযোগী সম্পাদক ৰূপে নিৰ্বাহ কৰা কাৰ্যকালৰ সময়খিনিমোৰ বাবে স্মৰণীয় হৈ ৰ'ব।

তাৰ পাছত ২০১১ চনত ঘটনাক্ৰমে মোৰ পৰিয়াল কলিকতা মহানগৰীৰ স্থায়ী বাসিন্দা হ'ব লগা হ'ল। দিন বাগৰি যোৱাৰ লগতে কলিকতাৰ সমাজখনৰ বিভিন্নজনৰ সৈতে পৰিচয় সূত্ৰে বিভিন্ন সামাজিক সাংস্কৃতিক সংগঠনৰ সৈতে জড়িত হৈ ব্যস্ততাৰ দিন অতিবাহিত হ'বলৈ ধৰিলে। কলিকতাৰ কলেজ ষ্ট্ৰীটৰ এটি গৃহত আমাৰ কেইজনমানৰ নিয়মিত আড্ডা এটি আছিল। সদ্য অৱসৰ প্ৰাপ্ত প্ৰাক্তন বিশ্ববিদ্যালয়ৰ অধ্যাপক ডঃ অনুপম গুপ্ত, ডঃ নৱ কুমাৰ নন্দী (প্ৰেচিডেন্সি), ডঃ উত্তম ভট্টাচাৰ্য, প্ৰাক্তন চৰকাৰী আমোলা অতনু মুখাৰ্জী, গৌতম ঘোষ আদি গুণীজনৰ সৈতে মিলিত হৈ বিভিন্ন বিষয়ৰ আলোচনা সমূহ উপভোগ কৰো। এ.পি.এলৰ স্মৃতিকাতৰতাত ময়ো পেট্ৰ'কেমিকেলচ উদ্যোগৰ কথা সময়ে সময়ে আলোচনা প্ৰসংগত উল্লেখ কৰি যাওঁ। অতনু মুখাৰ্জীৰ সম্পাদনাত প্ৰকাশ হৈ থকা 'দশদিশি' আলোচনীৰ সংস্কাৰৰ অৰ্থনীতিৰ বিশেষ সংখ্যাৰ বাবে মোক অসম পেট্ৰ'কেমিকেলচ লিমিটেডৰ ওপৰত লিখিবলৈ হেঁচা দিলে। তেওঁলোকে বিশেষ প্ৰতিশ্ৰুতি দিলে যে মই লিখা বাংলা ভাষাত হোৱা ভুলখিনি শুধৰাই দিব। ময়ো অতি উৎসাহেৰে এটি প্ৰবন্ধ লিখি উলিয়ালো য'ত অসমৰ তৈলক্ষেত্ৰৰ আৱিষ্কাৰৰ পৰা আৰম্ভ কৰি প্ৰাকৃতিক গেছৰ উপযুক্ত ব্যৱহাৰ আৰু এ.পি.এল. উদ্যোগটিৰ সম্পৰ্কে ব্যাখ্যা কৰা হৈছিল। দুই এটা শব্দ গাঠনিৰ শুধৰণিৰ বাহিৰে প্ৰবন্ধটি সম্পাদক মণ্ডলীয়ে প্ৰশংসা কৰি প্ৰকাশ কৰিলে। কলিকতাৰ সমাজ জীৱনত সম্পৃক্ত হৈ আজি দহ বছৰে বিভিন্ন কাকত আলোচনীত নিয়মিতভাৱে লেখামেলা কৰি আছোঁ যি সমূহৰ বিষয়বস্তু অসমৰ জনজীৱন, সংস্কৃতি, ব্যক্তি, ইতিহাস ইত্যাদি। বঙালী সমাজ জীৱনৰ গুৰুত্বপূৰ্ণ বিষয় সমূহক লৈ কিছু প্ৰবন্ধ নিশ্চয় লিখিছোঁ। কলিকতাত অনুস্থিত হৈ বিভিন্ন সভা-সমিতি, সন্মিলন আদিত আমন্ত্ৰণ ৰক্ষা কৰি আমি দুয়ো কবিতা পাঠ কৰি আহিছোঁ, সময়ে সময়ে সম্বৰ্ধনা গ্ৰহণ কৰিছোঁ অনুস্থান সমূহত। যাৰ বাবে আত্মসন্তুষ্টি লাভ কৰাৰ উপৰিও অসমীয়া হিচাবে গৌৰৱ বোধ কৰি আহিছোঁ। অসমীয়া সামাজিক অনুস্থান এ.এচ.এল ক্লাবৰ দায়িত্বপূৰ্ণ পদবীত থাকি কাম কৰাৰ সুযোগ লাভ কৰিছো বিভিন্ন কাৰ্যসূচী সম্পাদনৰ মাজেদি। ব্যস্ততাপূৰ্ণ নাগৰিক জীৱন অতিবাহিত কৰাৰ মাজত এ.পি.এলৰ স্মৃতিয়ে আজিও আবেগিক কৰি তোলে।

এই চমু স্মৃতি চাৰণৰ মাজেদি এ.পি.এল. ৰ সমূহ সদস্য আৰু পৰিয়াললৈ মই শুভেচ্ছা জনাইছোঁ।

**প্ৰণৱ কুমাৰ হাজৰিকা**
অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ প্ৰবন্ধক (মেটেৰিয়েলচ)

আমি অতি দুখেৰে জনাবলগীয়া হৈছে যে এই তথ্যসমৃদ্ধ প্ৰবন্ধটিৰ লেখক শ্ৰদ্ধাৰ হাজৰিকাদেৱৰ যোৱা ২৯/০৭/২০২২ তাৰিখে পৰলোকপ্ৰাপ্তি হয়। "আমাৰ এপিএল" পৰিয়ালৰ পৰা শোকসন্তপ্ত পৰিয়ালৰ্কলৈ সমবেদনা জনোৱাৰ লগতে তেখেতলৈ গভীৰ শ্ৰদ্ধাঞ্জলী যাচিছো।

**সম্পাদনা সমিতি**

## উভটি চাওঁ সুৰঁৰি চাওঁ - আমাৰ এ.পি.এল.



এ.পি.এল মানেই আমাৰ এ.পি.এল। এটি উপভোগ্য জীৱন আৰু জীৱিকাৰ সন্ধানত আহি ১৯৮৬ চনৰ এপ্ৰিল মাহৰ অন্তিম দিনটোত যোগদান কৰিছিলো এ.পি.এল. উচ্চ মাধ্যমিক বিদ্যালয়ত। প্ৰৱেশ দ্বাৰত প্ৰৱেশ কৰিয়েই দেখিছিলো - মূল পথৰ দুয়োকাষে এজাৰ, কৃষ্ণচূড়া আৰু সোনাৰুৰ শাৰী। আটোম টোকাৰীকৈ সজোৱা একো একোটি আবাস গৃহ। মূল কাৰ্যালয়ৰ সন্মুখত ৰঙীণ এখন ফুলনি। লগ পাইছিলো অসম আৰু বাহিৰৰ ৰাজ্যৰ (কম সংখ্যক) বিষয়া কৰ্মচাৰীক। ভালে কেইগৰাকী মহিলা কৰ্মচাৰীকো লগ পাইছিলো। এক অচিন পৰিৱেশ, অচিনাকী আবাসী। দিন অতিবাহিত হোৱাৰ লগেলগে সকলোৰে লগত ঘনিষ্ঠতা বাঢ়িছিল। উদ্যোগটিৰ চৌহদতে থকা বিদ্যালয়খনতে শিক্ষয়িত্ৰী হিচাবে নিয়োজিত হৈ সহকৰ্মী ও নিৰ্মল হৃদয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ সৈতে গঢ়ি উঠিছিল যুগান্তৰৰ ঘনিষ্ঠ সম্বন্ধ। আজি তাৰ অস্তিত্ব কেৱল সোঁৱৰণিত।

ঋতু অনুসৰি এজাৰ যেতিয়া ফুলে, ফুলে কৃষ্ণচূড়া সোণাৰু। বৰ্ণনাতীত সৌন্দৰ্যৰে শোভিত হৈ পৰে এ.পি.এল ৰ পৰিৱেশ। ভক্তিৰে ভৰা নামঘৰ, হৃদয় ৰোমাঞ্চিত কৰা বিহুতলী, চুবুৰীয়ে চুবুৰীয়ে ভোগালীত ভোগৰ আনন্দ সকলোৱে উপভোগ কৰিছিল। এনেকৈয়ে জীৱনৰ চৌত্ৰিশটা বসন্ত অতিক্ৰমি ২০২০ চনৰ মাৰ্চত আনুষ্ঠানিক কৰ্মময় জীৱনৰ সমাপ্তি ঘটিছিল।

এতিয়া এ.পি.এলক সুঁৱৰি চাই দেখিছো - কৰ্মময় জীৱনৰ দায়িত্ব, পাৰিবাৰিক জীৱনৰ কৰ্তব্য আৰু সামাজিক পৰম্পৰাৰে সমাজৰ সৈতে খোজত খোজ

Continued to P-7

*Continued from P-6*

মিলাই পাৰ কৰি অহা চৌত্ৰিশটা বছৰৰ সেই সময়খিনি আছিল অতি গুৰুত্বপূৰ্ণ। সময়ৰ সোঁতত এ.পি.এল পূৰ্ণযৌৱনত্বৰ পৰিধিৰে প্ৰাপ্তবয়স্ক হ'লহি। পৰিপূৰ্ণতাৰে এ.পি.এল. এতিয়া অসম তথা দেশৰ আগশাৰীৰ উদ্যোগত প্ৰতিষ্ঠিত হোৱাৰ দিশে ধাৱমান।

২০০৪ চনৰ অক্টোবৰ মাহত বিভিন্ন বিভাগৰ কৰ্মচাৰী ও বিষয়াৰ সৈতে কলিকতাৰ ঔদ্যোগিক প্ৰতিষ্ঠান সমূহৰ বিষয়ে কিছু জনাৰ উদ্দেশ্যেৰে যাত্ৰা কৰিছিলো। বিশেষকৈ হালদীয়া পেট্ৰ'কেমিকেলচ্‌ত আমাৰ দলটোৱে এক অধ্যয়নমুখী চিন্তা-চৰ্চাৰে প্ৰৱেশ কৰিছিলো। তাত দেখা পাইছিলো - প্ৰদূষণ নিয়ন্ত্ৰণৰ সুপৰিকল্পিত ব্যৱস্থা। সেয়ে আবাসিক এলেকাবোৰ মূল উদ্যোগৰ পৰা বহু নিলগত অৱস্থিত। প্ৰতিটো বিভাগলৈ যোৱা পথৰ দুয়োকাষে চিৰসেউজীয়া গুল্মজাতীয় সৌন্দৰ্যশোভিত বৃক্ষৰ প্ৰণালীবদ্ধ শাৰী। উৎপাদন আৰু বাণিজ্য বিষয়ত সেই উদ্যোগটো যথেষ্ট স্বচ্ছল বুলি জানিব পাৰিছিলো। আশা কৰো আমাৰ এ.পি.এল. উদ্যোগটিয়েও আগতকৈয়ো অধিক উৎপাদিকা শক্তিৰে উৎপাদন আৰু বাণিজ্যৰ ক্ষেত্ৰত সফলতাৰ শীৰ্ষত থাকিব। আমাৰ এ.পি.এল. আমাৰ জীৱনৰ আধাৰ গঢ়া এ.পি.এল.। দৃঢ়তাৰে ক'ব পাৰো আমাৰ পাৰিবাৰিক জীৱন এ.পি.এলৰ ভিত্তিতে গঢ়ি উঠিছিল। এপিএলক কৌটি কৌটি বাৰ প্ৰণাম। এপিএল সদা সক্ষম হৈ থাকক, সফলতাৰে আগবাঢ়ি যাওঁক। জয়তু এ.পি.এল.। নমস্কাৰ।

**পদ্মা শইকীয়া খনিকৰ**
অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী

## বেদনাৰ দৰিয়াত শিল্পীৰ চকুলো

আই .........
গম পাইছ নে আই?
তোৰ বক্ষস্থলত তোৰেই সাহিত্য
সংস্কৃতিৰ বেপাৰ চলে, দৰদাম চলে।
তোক ভাষা সংস্কৃতিৰে অলঙ্কৃত
কৰি ৰখা তোৰ সাধক, শিল্পীসকলৰ মনৰ আকাশ আজি হতাশাৰে আৱৰিছে।
দুঃসংবাদ আই। দুঃসংবাদ।
সেইসকল অবহেলিত, দুখী,
প্ৰাপ্য সন্মান, স্বীকৃতিৰ পৰা বঞ্চিত।
মাতৃভাষাক চহকী কৰোঁতা
শিৰ উজ্বলাই ৰাখোতা আজি
শোকত ম্ৰিয়মান হৈ বেদনাৰ দৰিয়াত।
তোৰ ভাষাৰ মখমলৰ চাদৰৰ বুটা খহি তই কোঙা হবলৈ সময় সমাগত।
শুনিছ নে আই ...?
ৰাজনীতিৰ পথাৰখনত দৌৰাদৌৰি
কৰিব পাৰিলেই বোলে সাহিত্য সংস্কৃতিৰ জখলাত ওলমিব পাৰি। আৰু
ওলমিলেই স্বপ্ন পুৰণ।
তই একো গম পোৱা নাই ...
আজিকালি শিল্পীৰ সাধনাৰ প্ৰয়োজন নাই।
হাতৰ মুঠি টান কিংবা ৰাজনীতিৰ
মোহৰ মৰা ফলক যোগাৰ হলেই
বছৰটোৰ ভিতৰতেই আত্মীক পৰিচয়ত একো একোজন গঙ্গাটোপ হয়।
আই। চকু কাণ বন্ধ ৰাখিছিলো ...
অনুভৱৰ টোপোলাটো বুকুত সাৱতি।
প্ৰকৃত শিল্পীসকলৰ কষ্টসাধ্য আকো অনুভূতিবোৰ মূল্যহীন হোৱাত, উচিত
মৰ্যাদাৰ পৰা বঞ্চিত
হোৱাত, আবেগবিহ্বল বিচলিত মনটোৱে আজি
আত্মচিৎকাৰ কৰি উঠিছে।।

**ৰেণুকানন্দা হাজৰিকা,**
W/o প্ৰণব হাজৰিকা

## ।। মহানিম।।

<u>অনুগল্প</u>

ভদ্ৰতাৰ মুখা পিন্ধা পৰিয়ালটোত যৌতুকৰ কাৰণে কথাই কথাই লাঞ্ছিতা হোৱা ন বোৱাৰী গৰাকীয়ে ধৈৰ্যৰ সীমা অতিক্ৰমি মহিলা সমিতিৰ সদস্যা ভৰ্তিৰ বাবে আগবাঢ়ি আহিল। বোৱাৰী গৰাকীৰ আচৰণৰ পৰিৱৰ্তনত শংকিত হৈ পৰিয়ালটোৰ লোক সকলৰ আচৰণতো পৰিৱৰ্তন আহিবলৈ লৈছে।

মিটিঙৰ পৰা উভতি অহা বোৱাৰী গৰাকীয়ে বজাৰত সোমাই মহানিমৰ পুলি এটা বিচাৰিলে, কাৰণ তেওঁলোকৰ ঘৰখনত মহানিম এজোপাৰ বৰ প্ৰয়োজন আছে।

**মেৰী হাজৰিকা ফুকন।**
W/o প্ৰশান্ত ফুকন।

## পাৰিজাতৰ সুবাস

সেই যে আমাৰ বিশ ঘৰ মানুহৰ E টাইপ কলনীখনৰ আমি খেলা-ধূলা কৰা ঠাইটুকুৰাত আৰম্ভ হৈছিল মেলখন। প্ৰতি দেওবাৰে আমি সৰু সৰু ল'ৰা ছোৱালীবোৰ লগ হৈছিলো। নাচ, গান, কবিতা আবৃত্তি, কুইজ, বক্তৃতা, যাৰ যি মন যায় প্ৰদৰ্শন কৰিছিলো। মোৰ মনত আছে, লাহে লাহে ওচৰৰ কলনীৰ আমাৰ কাণসমনীয়া কোনো কোনো আহিছিল প্ৰথমে চাবলৈ আৰু তাৰ পাছত সিহঁতেও 'কিবা এটা' কৰবলৈ বুলি আগবাঢ়ি আহিছিল। কেশৱ গগৈ তাৰৈয়ে মাজে মাজে আমাক সকলোকে ছবি আঁকিবলৈ শিকাইছিল। আমি নাম দিছিলো 'মইনা মেল'।

সেই মইনা মেলখনেই এসময়ত সেই চুবুৰীৰ পৰা উঠি এপিএল ক্লাবৰ মজিয়া পাইছিলগৈ 'সৌমাৰজ্যোতি মইনা পাৰিজাত' হৈ। আমাৰ কেম্পাচৰ প্ৰায়বোৰ ল'ৰা ছোৱালী লগ হৈছিলহি প্ৰতি দেওবাৰে সন্ধিয়া চাৰি বজাত। মনৰ কোনোবা একোণত এতিয়াও আছে সেই ধুনীয়া দিনবোৰ, বাৰ্ষিক অধিৱেশন বোৰ, আমি ভাগ লোৱা প্ৰতিযোগীতাবোৰ, আমি প্ৰদৰ্শন কৰা নৃত্য নাটিকাবোৰ, আমাৰ হেঁপাহৰ ক্লাবটো, কাষৰে ডাঙৰ ফিল্ডখন। জীতা বৌ ওলাই আহিছিল আমাক নাচ শিকাবলৈ, মাহমুদা বা আহিছিল গান শিকাবলৈ, ৰেখা হাজৰিকা বৰমা আহিছিল নৃত্য নাটিকা লৈ। লক্ষ্মী নেওগ খুৰী, মোৰ দেউতা মিলন গগৈ আৰু বকুল বছা খুৰাই বাৰ্ষিক অধিৱেশনৰ সময়ত যথেষ্ট কষ্ট কৰিছিল। চাবলৈ বুলি কেম্পাচৰ সকলো মানুহ এপাক এপাক সন্ধিয়া আহিছিল। ফাংচনৰ দিনা ডাঙৰ ক্লাবটো ভৰি পৰিছিল। মনত পৰিলে আচৰিত যেন লাগে, সেই বয়সতে আমিবোৰ কেতিয়াবা সভাপতি হৈছিলো, নিৰ্দিষ্ট বক্তা হৈছিলো, ভাষণ দিছিলো। অধিৱেশনবোৰত মুখ্য অতিথি বাণেশ্বৰ খাউণ্ড বৰদেউতাৰ সেই ভাষণ বাৰু কোনে পাহৰিব পাৰে।

আমাৰ সকলোৰে স্কুল বেলেগ আছিল, কিন্তু আমাক এক কৰিছিল মইনা পাৰিজতখনে। কেৱল আমাকেই নহয়, এ.পি.এল.ৰ প্ৰতিঘৰ মানুহক এক কৰিছিল সেই সময়বোৰে। সময়ৰ সোঁতত সকলোবোৰ বেলেগ বেলেগ দিশলৈ ঢাপলি মেলিলো, কিন্তু সেই মূহুৰ্তবোৰে সকলোৰে মনৰ কিছু অংশ নিশ্চয় আৱৰি আছে। আমি কেতিয়াও পাহৰিব নোৱাৰিম মইনা পাৰিজাত খনে গঢ়ি দিয়া ভেটিটো, উপহাৰ দিয়া সময়বোৰ।।

**জিনী গগৈ**
ডিব্ৰুগড় বিশ্ববিদ্যালয়
D/o মিলন গগৈ



**OBITUARY**

**Jayanta Ramchiary**
**( Sr. Process Operator)**
**Date of Birth : 02.07.1963**
**Joined APL on: 09.07.1986**
**Expired on : 16.07.2022**

## SIGNIFICANCE OF MENTAL HEALTH ON WORKPLACE

Mental Health is a very important part of our life, it is different from physical health. Physical health refers to the state of your body whereas mental health is the state of your mind, feelings and emotions. Most of the times people are not aware of their mental health issues, some even ignore it because of the various existing taboos related to it. Now a days because of increasing awareness people are now focusing on their mental health. Mental issues drain out our vitality and also affect our physical health to a very great extent. Scientists have written explanations on why mental and physical health are dependent on each other, various studies have shown that people who are leading a mentally peaceful life are much more physically sound as well.

**WORKPLACE BEHAVIOUR;**

- Work behavior is one of the significant aspects of human behavior. It is an individual's communication towards the rest of the members of the workplace, the mental health of a worker is equally important and is directly proportional to the productivity he or she exhibits in his or her workplace environment. Job satisfaction is very much essential for a worker's mental health. Studies have shown that the individuals who are satisfied with their respective jobs are found to be much more prompt to give their best. The workplace can be a contributory factor to a range of physical and mental illnesses like hypertension, depression, anxiety diabetes and cardiovascular conditions.

- Industrial and Organizational psychology focuses on scientifically based solutions to human problems in work and other organizational settings and analyze in order to understand human behavior in the workplace.

- Work environment is very much crucial for the employees of a particular organization, workplace that promotes mental health support are more likely to reduce absenteeism, increase productivity and benefit from associated economic gains.

***Special note:** " At the root of this dilemma is the way we view mental health in this country. Whether an illness affects your heart, your leg or your brain, it's still an illness, and there should be no distinction."*

**Anwesha Konwar**
Masters in Clinical Psychology, BHU
(D/O BK Konwar)

## IMPORTANCE OF ON-GOING 500 TPD METHANOL PROJECT & RISK AVERSION

Namrup is considered to be an industrially developed town in the district of Dibrugarh, Upper Assam mainly due to the presence of Fertilizer, Power, and Petrochemical companies besides tea gardens. However the rural scenario of the district is not very encouraging as a small section of the district population is benefitted by these industries. Unemployment and under-employment are as severe as in other parts of the state or country. Therefore, the on-going 500 TPD Methanol Project of APL has raised hope and aspirations among the unemployed youth of the district.

In Upper Assam one valuable non-renewable resource, i.e. natural gas has not been properly utilized during sixties. After that the Associated Gas is being produced in this part of Assam and in 1966 Hindustan Fertilizer Corporation in Namrup had been set up followed by Petro-chemicals Project of APL in 1976 along with Formalin and Adhesive Plant as by product. Recently a 500 TPD Methanol expansion project of APL is almost completed. The existing Fertilizer Plant in Namrup and Gas Cracker Project in Dibrugarh are utilizing most of the gas properly. Hence the success in speeding up the process of industrialization of the state with the help of petro-chemical products like Methanol, Fertilizer, High Density Poly Ethylene (HDPE), Poly Propylene (PP), Linear Low Density Poly Ethylene (LLDPE), etc. A series of down-stream small and medium scale industries can be set up on the Methanol and Gas Cracker Project. Therefore, we also expect that the on-going 500 TPD Methanol Project of APL will be commissioning soon.

Any large project is as much an exercise in risk aversion as it is in task accomplishment. Successful project managers anticipate what can go wrong. While they cannot identify every possible misstep, spotting a few reduces the risk of failure.

NITI Aayog's aimed at blending of methanol in gasoline by 2025 which would results bring down Green House Gas (GHG) emission by twenty percent, thereby improving the urban air quality and reducing India's oil import bill.

**Hemanta Kumar Sharma**

## NATIONAL ACHIEVEMENTS



Mr Sanjib Borphukon, of Electrical Dept. & Mrs Sewali Gogoi, W/o Mr Prodip Gogoi of Production Dept. achieved Silver medal in All India Arm Wrestling Competition held in Goa from 18/5/22 to 20/5/22. Moreover, congrataualtions to Mr Sanjib Borphukon who have been qualified for the IFA WORLD ARMWRESTLING CHAMPIONSHIPS to be held in France.

## FELICITATION OF HON'BLE MINISTER OF INDUSTRIES & COMMERCE





Assam Petro-Chemicals Limited felicitated Sri Bimal Bora on being appointed as the new Minister of Industries & Commerce and Public Enterprises Department, Govt. of Assam at his office chamber on 16.06.2022.

Sri Bikul Ch. Deka, Chairman, APL accompanied by Sri Hemanta Gogoi, Vice -Chairman, Sri Rajnesh Gogoi, Managing Director, Sri Pramod Kr. Prasad, Director (Finance), Sri Uttam Bailung, Company Secretary & Sri Simanta Kr. Chetia , DGM (L&F) apprised him about the Company and requested him to pay a visit to our Head Office and project site.



## INDO-BANGLADESH TRADE MEET

On the invitation of Bangladesh Asstt. High Commissioner, senior officials of the company attended the India-Bangladesh trade meet on a river cruise in Guwahati on 24.02.2022. His Excellency, Dr. Hasan Mahmud, Information and Broadcasting Minister of Bangladesh and Shri Chandra Mohan Patowary, former Hon'ble Minister of Industries, Commerce and PE Department etc. Govt. of Assam were also present during the event.

## JOINING OF NEW DIRECTOR (FINANCE)

On the completion of the service tenure of Sri K.A. Murali, Director (Finance) at APL ,Sri Pramod Kr. Prasad has been appointed as the Director (Finance) of APL w.e.f. 01.04.2022.

APL family extended sincere gratitude to Sri K.A. Murali for his devoted service and extended warm welcome to newly appointed Director (Finance).

## ADIOS

**EMPLOYEES RETIRED FROM THE SERVICE OF APL BETWEEN JAN-MAY 2022**


SRI JADAV CH. SARMA
ASSTT. MANAGER (HR)


SRI ARUN NIRMOLIA
JR. ELECTRICIAN


MRS URBASHI HANDIQUE
OFFICER (MAINTENANCE)


SRI MILAN GOGOI
DY. MANAGER (INST.)


MRS SUMITRA BORO
EXECUTIVE ASSISTANT



SRI KESHAB GOGOI
ASSTT. MANAGER (PRODN.)


SRI MEGHESWAR GOGOI
SR. PROCESS OPERATOR


MISS KARABI BHUYAN
SR. PEON


SRI RAJANI BORDOLOI
ASSTT. MANAGER (PRODN.)


SRI SUDHIR BORTHAKUR
ENGINEER (PRODN.)


REGINA BEGUM
SR. PEON (C&P)


SRI SUSHIL ROY
DTIVER, GRADE III(UG2)


SRI NIRMAL KR. DAS
SR. PEON

**কথাগল্প**

## ভাৰ্চুৱেল ইমেজ


"আজি হাজৰিকাদাহঁতৰ ঘৰলৈ গৈ এনেকুৱা এটা পৰিৱেশ পাম বুলি যে মই মুঠেও আশা কৰা নাছিলোঁ। মানুহগৰাকী বৰছাৰ বুলিহে শুনি আহিছিলোঁ।

"মই ঠিকেই বুজিছিলোঁ, তুমি যে বতাহৰ উৰি ফুৰা কথাবোৰতহে পতিয়ন গৈ আছিলো ইমানদিনে"

"আপুনিও সেইদৰেই ভৱা নাছিল নেকি?"

"সেই কথাটোৰেই মই তোমাক কেইবাদিনো বুজাবলৈ চেষ্টা কৰি আছিলোঁ মায়া, তুমি জানো মোক বুজাই ক'বলৈ সুবিধা দিছা? সেয়েহে, বাহিৰৰ কথাবোৰত অধিক গুৰুত্ব দি মানুহৰ প্ৰতি ভুল ধাৰণা এটা লৈ থকাতকৈ লগ কৰাই অনাই ভাল হব যেন লাগিল। আচলতে হাজৰিকাদা আৰু তেওঁৰ পত্নীৰ মাজত এটা সুন্দৰ বুজা-বুজি, মৰম আছে। ইজনে আনজনৰ নিজতকৈও কহ বেছি কেয়াৰ লয়। তেওঁলোকে যিকোনো কাম কৰোঁতে পুৰুষ বা মহিলাৰ কাম বুলি ভাগ ভাগ নকৰি যিয়েই যিটো সমুখতে পায় কৰি যায়। তেওঁলোকে স্ব-ইচ্ছাৰে কৰা বাবে সেইবোৰ আনৰ পৰা লুকুৱাবলগা কথা বুলি নাভৱেই। কিন্তু, আমাৰ সমাজ-ব্যৱস্থাই যিহেতু পুৰুষক ঘৰুৱা কাম কৰা দেখিলেই হাঁহিয়াতৰ পাত্ৰ বুলি ভৱা ধৰণৰ ধাৰণা এটা মনত সুমুৱাই দিলে, গতিকে তেখেতেও তিৰোতা সেৰুৱা ঘৈণীৰ কথাত উঠা-বহা কৰা মতা আদি বিশেষণবোৰ পালে। অথচ মই নিজ ইচ্ছা অবিহনেও তোমাৰ প্ৰতিটো কথা শুনি, ঘৰত থকা সময়কণতো তোমাৰ প্ৰায়বোৰ কামেই কৰি দিয়াৰ পাছতো কিন্তু, সমাজৰ চকুত পানী এগিলাছো নৈ নোখোৱা বৰমতা হৈ আছোঁ, হাঃহাঃ। মানুহৰ আগতো মোক যিহে আদৰ-সাদৰ কৰি দেখুওৱা, তোমাকেইনো কোনে কব গিৰিহঁতৰ ওপৰত হিটলাৰী শাসন চলোৱা তিৰী বুলি।। হাঃহাঃহাঃ বুজিছো, এনেই নকয় নহয়- বেটুপাত চাই কিতাপৰ মূল্যায়ন কৰিব নালাগে বুলি।

প্ৰেৰণা মহন্ত,
W/o ৰাজকুমাৰ পঞ্চম সিং



## দিল্লি নৈৰে প্ৰেম

মহাবাহু ব্ৰহ্মপুত্ৰৰ উপনৈ সমূহৰ ভিতৰত প্ৰথম দেখিছিলোঁ নৈ ভোগদৈ। চাকৰিসূত্ৰে দেউতা মৰিয়নিত থকা বাবে মোৰ জন্মস্থানৰ নিচেই কাষেদি বৈ যোৱা নৈ ভোগদৈৰ সৈতে মোৰ আজন্ম চিনাকি। আমাৰ মূল ঘৰ জাঁজীৰ জকাইচুক মৌজাত হোৱা বাবে জাঁজী নৈখনে মোক ভোগদৈতকৈয়ো মন্ত্ৰমুগ্ধ কৰি টানি নিছিল, কাৰণ, ল'ৰালি কালত জাঁজী নৈখনলৈ স্বাধীনচিতিয়াকৈ দিগম্বৰ হৈ ওখ গৰাৰ পৰা "গজ"(dive) মাৰি দিছিলোঁ, যিটো দিগম্বৰশৈলী ভোগদৈত গজ মাৰোঁতে প্ৰয়োগ কৰিব নোৱাৰিছিলোঁ, কমেও আণ্ডাৰপেন্ট এটা পিন্ধি থাকিব লগীয়াত পৰিছিলোঁ দেউতাই ৰঙা চকু দেখুওৱা বাবে।

স্কুলত পঢ়ি থকা সময়ছোৱাত কালে-ভদ্ৰে মৰিয়নিৰ পৰা গুৱাহাটিলৈ বা ডিব্ৰুগড়লৈ বাছেৰে যোৱা হয় বাবে কাকডোঙা - ধনশিৰি - কলং - কপিলী আৰু উজনিৰ দিখৌ-দিচাং-দিহিং কোন তলকতনো পাৰ হৈ গৈছিলোঁ তলকিবকে নোৱাৰিছেলোঁ। সেয়েহে সেই নদী সমূহৰ প্ৰতি মোৰ প্ৰকাশ্য ধাৰণা নাছিল। এবাৰ কলেজত পঢ়ি থাকোতে দিল্লি নৈৰে পাৰত পিকনিক খাই গৈছিলোঁ যদিও নৈখনে মোৰ মন-মগজুত বিশেষ প্ৰভাৱ পেলাব পৰা নাছিল। পৰৱৰ্তীকালত এই দিল্লি নৈয়েই মোক সুতীব্ৰভাৱে সন্মোহিত কৰি তুলিলে আৰু দিলীহিৰ আশ-পাশৰ বায়ু-পানী-মাটিৰ সুস্বাদ-সুঘ্ৰাণ মোৰ তেজৰ ৰন্ধ্ৰে ৰন্ধ্ৰে সোমাই থাকিব আজীৱন, জীৱনৰ সাতত্ৰিশটাকৈ দীৰ্ঘবছৰ পাৰ কৰিলোঁ দেখোন দিলীহিৰ পাৰতেই।

দিচাং নৈখনেই যে উজাই আহি বৃহত্তৰ নামৰূপ এলেকাৰ পৰা উজনিলৈ দিলীহি নাম লৈছেহি, সেই তথ্য এ. পি. এললৈ চাকৰি কৰিবলৈ অহাৰ পিছতহে জানিছিলোঁ।

দিল্লিঘাটৰ পৰা নৈখনৰ উৎসৰ দিশে উজাই গৈ পাটকাই সীমান্তৰ বনাঞ্চলৰ মাজেৰে নৈখনৰ যি অপৰূপ ৰূপ দেখিলোঁ, বৰ্ণনা কৰিবলৈ মই অক্ষম। হঠাতে যেন এখন বন্ধ দুৱাৰ খোল খাই গ'ল। দুৱাৰৰ সিপাৰে বিস্ময়বিমুগ্ধ হৈ দেখিছিলোঁ জাকে জাকে কুকীলকণ্ঠী চৰাই, ফলে-ফুলে জাতিস্কাৰ অলেখ চিনাকি অচিনাকি গছ, ভৰুণ জুৰিৰ খৰখলনি, আবেলিৰ জুইৰঙী সোণালী আকাশখন। বৰ বিস্ময়কৰ অনুভূতি।

কহু কহুৰ আগতেই গৈছিলোঁ। শৰত অহা নাছিল যদিও গৰমৰ তীব্ৰতাই আমাক শৰতৰ প্ৰতি উন্মুখ কৰি ৰাখিছিল। পাটকাই বনাঞ্চলৰ সেই কোমল সৌন্দৰ্যই যেন আমাৰ বাবে বৈ আছিল। নৈৰ কিনাৰৰ সুউচ্চ বৃক্ষ আৰু স্বপ্নময় বৰ্ণৰ বনৰ মাজেৰে আছিল আমাৰ পৰিভ্ৰমণ। অসমৰ দিচাঙৰ ক্লান্ত, বালিময় আৰু প্ৰদূষিত ৰূপটো দেখি অভ্যস্ত হৈ পৰা আমাৰ দেহ-মন হঠাতে সচকিত হৈ পৰিছিল দিল্লি নৈৰ ষোড়শী, সতেজ আৰু নিৰ্মল ৰূপ দেখি। দিল্লি নৈৰ সেই কোবাল সোঁতৰ কলকলনি মোৰ বুকুত আজিও বৈ বৈ বাজি আছে এক বিৰল সুৰৰ সাংগীতিক মূৰ্ছনা হৈ। উত্ৰাৱল হৈ পৰা আমিবোৰৰ আঁজোৰত কহদূৰলৈ ছিটিকি পৰিছিল দিলীহিৰ খিলখিলীয়া যৌৱনময় পানী। চকুৰ আগত কেৱল নীলা আকাশ আৰু সুবিশাল অৰণ্য। প্ৰতিজোপা গছেই যেন চলাইছিল কৰ্ণপ্ৰসাধনৰ প্ৰতিযোগিতা। গোটেই আবেলিটো নিঃসংগ দীলহিৰ গান শুনিছিলোঁ।

সোণালী ৰ'দে টোৱাই পেলাইছিল ছিৰিলী-ছিৰিলী পাত ...

প্ৰিয়,

ঐকান্তিক নিষ্ঠাৰে দীৰ্ঘবছৰে সেৱা আগবঢ়াই অহাৰ পিছত যোৱা ৩১-০৮-২০২১ তাৰিখে এ.পি.এলত কৰ্মজীৱনৰ পৰা অৱসৰ ললোঁ। তদনুত্তৰে যোৱা ০৭-০১-২০২২ তাৰিখে আমাৰ এ.পি.এলৰ লগতে নামৰূপৰ পৰাও বিদায় লৈ যোৰহাট জিলাৰ মৰিয়নিৰ নিজ গৃহলৈ উভতি আহিলোঁ। ঠিকনা সলনি হ'ল যদিও মনটো যে তাতেই আছে। এ.পি.এলৰ ধূলি-ধূলিকণাই, দিলীহিৰ আকাশে-বতাহে আৰু পাটকাইৰ নন্দিনীয়ে হাতবাউল দিয়ে থাকে দেখোন। সেয়েহে কৈছোঁ, অহা ছেপ্টেম্বৰ অক্টোবৰত দিলীহিৰ পাৰেদি পুনৰ এবাৰ উজোৱাৰ পৰিকল্পনা আছে। আগতীয়াকৈ জনাই থৈছোঁ — মোৰ লগত কোন কোন যায়, ওলাব। নামসূহৰ সম্পাদকৰ হাতত জমা দিব।

শুভেচ্ছাৰে ... ।

**অজিত বিকাশ গোহাঞিবৰুৱা**
মৰিয়নি

## অস্তিত্ব

ফুট গধূলীতে বাঘে জোপ লৈ থকা ইটাখুলীৰ ওচৰতে এখন গাওঁ। এফালে বড়ো জনগোষ্ঠীৰ কছাৰী পথাৰ আনফালে পাটকাই পৰ্ব্বত। ডাল ভৰি ভৰি ফলমূল, গোহালীত গৰু, গঁৰালত হাঁহ, কুকুৰা, গাহৰি, ভঁৰালত গুটি ধানেৰে ভৰপূৰ এখন গাওঁ। গাওঁখনৰ সৰহ সংখ্যক পৰিয়াল সোনোৱাল জনগোষ্ঠীৰ।

১৯৫৭ চনৰ ফাগুন মাহৰ কোনোবা এটা দিনত হঠাৎ গাঁৱৰ লুংলুঙীয়া পথেৰে স্থানীয় মণ্ডলৰ লগতে কেইজন মান চৰকাৰী বিষয়া উপস্থিত হ'ল সেই সময়ৰ এই অঞ্চলৰ একমাত্ৰ মেট্ৰিক পাছ কৰা ব্যক্তি তথা গাঁৱৰ প্ৰাথমিক বিদ্যালয়ৰ লুকী মাষ্টৰৰ ঘৰৰ চোতালত। মাষ্টৰে ভিতৰৰ পৰা কাঠৰ চকী কেইখন চোতাললৈ উলিয়াই আথে-বেথে বহিবলৈ আগবঢ়াই দিলে। মণ্ডলে ইতিমধ্য বিষয়া কেইজনক মাষ্টৰৰ লগত চিনাকি কৰাই দিলে। চাহ তামোলৰ ব্যৱস্থা হ'ল। ইজন সিজনকৈ গাৱঁৰ প্ৰায়বোৰ লোক মাষ্টৰৰ চোতালত গোট খালেহি।

গাঁৱৰ মানুহবোৰৰ মনত দুৰু দুৰু ভয়। কিজানি তেওঁলোকে দখল কৰি থকা মাটিবোৰ নামজাৰী কৰি দিয়ে। তেতিয়াতো খাজনা দিব লাগিব।

আচলতে সেয়া নহয়। মণ্ডলে তেওঁলোক অহাৰ উদ্দেশ্যৰ কথা কলে। গাওঁখনৰ সকলোৰে এই ঠাইৰ পৰা গুছি যাব লাগিব কিয়নো ইয়াতে এটা কাৰেন্ট (বিজুলী) উৎপাদন কৰা ফেক্টৰী হ'ব। সকলোকে দখলী মাটিৰ উপযুক্ত ক্ষতিপূৰণ দিব। এয়া চৰকাৰী আদেশ।

গাঁৱৰ মানুহবোৰৰ মাজত বু-বু বা-বা চলিল যদিও প্ৰতিবাদ কৰাৰ সাহস কাৰোৱেই নহ'ল। মাষ্টৰে সকলোকে বুজাই দিলে যে চৰকাৰী আদেশ নেমানিলে পুলিচৰ হতুৱাই সকলোকে উচ্ছেদ কৰিব। গতিকে চৰকাৰী আদেশ মানি উপযুক্ত ক্ষতিপূৰণ লৈ অন্য ঠাইলৈ যোৱাই ভাল। যিহেতু ওচৰৰ গাঁওবোৰত যথেষ্ট চৰকাৰী মাটি আছে আৰু সেই মাটি মণ্ডলে অতি সোনকাল নামজাৰী কৰাই দিব। লোকসকলে নিজৰ ঘৰ-বাৰীৰ কথা চিন্তা কৰি বুকু কঁপি উঠিছিল যদিও উপায় নাই। চৰকাৰী আদেশ। মাষ্টৰৰ কথা মানি ললে।সেয়াই আৰম্ভনি।

ফাগুন গৈ চ'ত, ব'হাগ আহিল। গাঁৱত ব'হাগৰ কিছু নহ'ল। সকলোৰে ক'ত কোন সম্বন্ধীয় মানুহ আছে সেই সকলৰ গাঁৱলৈ গৈ চৰকাৰী মাটিৰ অনুসন্ধানত নামিল। ওচৰৰ চাইক্য গাওঁ, কছাৰী পথাৰ গাওঁ, খেৰেমীয়া, নিগাম, অসমীয়া গাওঁ আৰু ইনথেম লৈকে।

সময়ত সকলোৰে উপযুক্ত ক্ষতিপূৰণ লৈ নিজৰ মৰমৰ আপোন গাওঁখন চিৰদিনলৈ এৰি নিজ নিজ পচন্দৰ ঠাইলৈ গুছি গ'ল।

১৯৫৮ চন। গাওঁখনৰ ফলমূলৰ বাৰী, খেতি পথাৰ সমান কৰি পাটকাই পাদদেশত নিৰ্মাণ কাৰ্য আৰম্ভ হল অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ বা বৰ্তমান এ.পি.জি.চি.এল. নামৰূপৰ।

এই গাওঁখনেই আছিল পৰ্বতীয়া গাওঁ। আজি প্ৰায় ছটা দশকতো স্বৰ্গীয় লুকী মাষ্টৰে প্ৰতিষ্ঠা কৰা প্ৰাথমিক বিদ্যালয়খনি স্থানীয় চাইক্য গাৱঁত পৰ্বতীয়া প্ৰাথমিক বিদ্যালয় নামেৰে নিজৰ অস্তিত্ব বজাই আছে।

**ৰমনী দিৰিয়াল**

## A BEAUTIFUL LADY I KNOW

I know a lady with river like eyes
Elegant she is, also gorgeous and wise
She is within me, connected by heart
Breathing beneath the land, at the core of earth.

She has dimples & pimples as plateaus & hills
Wearing precious stones as pendants & rings
The smile she wears, sparkle like star at nights
She dances round & round, with the northern lights.

She has long blowing hairs as huge ocean waves
She lives in mountains, trees and in caves,
But with time, she is getting lean & thin.
No more she is as royal as like a queen.

Don't let her go, Don't let her down
you must know that she's our own.
Mother nature she is and we all are her son
Dying she is; she is no more young

Please let her live, let her fly high
Let her touch the open sky.
Let her fly with birds, let her flow with the water
Let her blow with the wind; faster & faster.

Let her fall with the rain
Let her wash away the pain
Let her sing like a cricket & buzz like a bee.
Let her dance with the trees, let her be free.

**Anwesha Saikia**
K.V Namrup, Class X
D/o Ranjit Saikia

## শুভেচ্ছা

সদ্যঘোষিত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ সকলো ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জনাইছো ।



**Nikita Saikia**
H.S.L.C.
D/O Mridul Saikia,
Security Section
School : Sankardev Vidya Mandir, Gaurisagar



**Sri Vidyan Dutta**
H.S.L.C.
S/O Bipul Dutta,
Asstt. Manager( Production)
School : BVFC Model School



**Sri Arnab Handique**
H.S.L.C.
S/O Arun Handique,
Asstt. Manager( Production)
School : BVFC Model School



Miss Prerona Sonowal
H.S.L.C.
D/O Pradip Sonowal
Asstt. Technician(Welder)
School : BJV



Miss Preety Basha
H.S.L.C.
D/O : Bakul Basha,
Asstt. Manager( Production)
School : BVFC Model School



Animesh Chetia
H.S.L.C.
S/O Sri Dimbeswar Chetia,
Asstt. Manager( Civil)
School : BVFC Model School



Miss Palki Basha
H.S.L.C.
D/O : Bakul Basha,
Asstt. Manager( Production)
School : BVFC Model School



Miss Bondita Tiruwal
H.S.L.C.
D/O Prabhat Tiruwal
School : B.J.V.



Miss Bhaswati Mishra
H.S.L.C.
Daughter of : G.K. Mishra,
Asstt. Manager( T.S.)
School : BVFC Model School



Sri Apurba Gogoi
H.S.L.C.
S/O Monuj Gogoi,
Office Assistant
School : BVFC Model School



Sri Raktimangshu Phukan
H.S.L.C.
S/O Shyamoli Saud Phukan,
Sr. Office Assistant ( Medical)
School : BVFC Model School



Aryadeep Borgohain
H.S.
S/O Promode Borgohain,
Engineer (Production)
School : Salt Brook Academy



Miss Ramisha Choudhury
H.S.L.C.
D/O Hussain Ahmed Choudhury
(Sr. L.F.M.)
School : BVFC Model School



Miss Bidisha Rajkhowa
H.S.
D/O Haren Rajkhowa,
Asstt. Manager (Boiler)
School : Salt Brook Academy



Sri Bishal Dutta
H.S.L.C.
S/O Bipul Dutta,
Asstt. Manager( Production)
School : BVFC Model School



Prachurjya Boro
H.S.
S/O Lalit Kr. Boro,
Supervisor ( Elect.)
School : Salt Brook Academy



## কলুষিত

কলুষিত আজি এই লগন,
যেন কালসন্ধ্যাৰ আগমন।
জ্ঞানৰ জ্যোৎস্না আজি তমসাত দগ্ধ,
যেন অৰাজক অসুৰৰ
চিৎকাৰিত তৰংগৰ বিশ্বায়ন।
স্তব্ধ আজি শিশুৰ কলকলনী,
স্তব্ধ আজি যৌৱনৰ খিলখিলনি।
ধূসৰ আজিৰ প্ৰভাত,
দুপৰো আজি দুখৰ বেলিকাত।
সকলোতে মাথোঁ অজান শত্ৰুৰ,
উল্লাসিত ৰণহুংকাৰ।
স্তব্ধতাত বিধ্বস্ত আজিৰ শব্দ,
প্ৰতিবিম্ব মাথোঁ স্তব্ধৰ
মাথোঁ স্তব্ধৰ।

ডঃ অনুপজ্যোতি বৰা

## মোক এখনি হৃদয় দিয়া


স্পন্দিত হৃৎপিণ্ডই হৃদয় নহয়
যেনেদৰে ওঁঠৰ হাঁহিয়েই
সুখৰ সংজ্ঞা নহয়।

হে' সুহৃদ
মোৰ বুকুৰ মাজতো
একন হৃদয় সৃষ্টি কৰি দিয়া

সেই হৃদয়েৰে
মই সেঁতু গঢ়িম
হৃদয়ৰ পৰা হৃদয়লৈ
হৃদয়ৰ পৰা আকাশলৈ

মিলন গগৈ
মৰান

## FLASHBACK 1ST ISSUE OF ĀMĀR APL, JULY 1978




## CONGRATULATIONS



**Martina Gogoi, XII (CBSE)**
D/O Shri Khirod Gogoi,
Officer ( Medical)
School : Kendriya Vidyalaya,Namrup



**Ankita Saikia, X (CBSE)**
D/O Biplov Saikia,
Asstt. Manager (Q.C.)
School : Kendriya Vidyalaya,Namrup



**Pratyush Bikash Choudhury, X (CBSE)**
S/O Bikash Choudhury,
DGM(HR)
School : Kendriya Vidyalaya,Namrup



**Nivritti Gogoi, X (CBSE)**
D/O Rajnesh Gogoi,
Managing Director
School : Indraprasthsa Global School,Noida



**Y. Sujal Singh, X (CBSE)**
S/O Y. Shyamanta Singh,
Upper Office Asstt.
School : Kendriya Vidyalaya,Namrup



**Priyangshu Priyam Boruah, X(CBSE)**
S/O Deepak Boruah,
Asstt. Manager( Inst.)
School : Kendriya Vidyalaya,Namrup

## বৰষুণে গান গায়

বৰষুণে গান গায়
শুনিবলৈ ভাল লাগে,
টোপালৰ শব্দবোৰ সুৰ হৈ
বতাহৰ চুমাত বিলীন হয়।
বৰষুণেও জানে
সৰগমৰ ভাষা,
সেয়ে টিঙৰ পৰা পৰিলেও
লয় সময়ৰ গতি,
নহয় কেতিয়াও সমান্তৰাল
আছে প্ৰতিটো টোপালৰ ব্যৱধান,
কাৰণ বৰষুণৰো আছে নিজা তাল।

জোনমনি বৰুৱা

## New Office Bearers of APL Officer's Association 2022-23

Prabodh Borah (President)
Shyamanta Kr. Sharma (Vice President)
Bakul Basha (Gen. Secretary)
Ranjit Gogoi (Asstt. Gen. sec)
Abinash Hatikakoti (Treasurer)

Executive Members:
Dulal Phukan
Umesh Baruah
Jilaram Chutia
Anup jyoti Borah
Jugeswar Dutta
Haren Rajkhowa
Utpal Borgohain

## 'Amar APL' Editorial Board :

Advisors :
Sri Rajnesh Gogoi - Managing Director
Shri B. Choudhury - DGM(HR)

Editorial Committee:
Shri Manojyoti Borgohain - Editor
Shri Angshuman Dutta - Sub-editor
Shri Shyamanta Kr. Sarmah - Member
Shri Joydeep Dam - Member



500 TPD METHANOL PROJECT



## WELCOME TO APL

**Satyajit Kundu**
DGM (Production_Project)

*In this issue of 'Amar APL' few of the important events may be left out which will be included in the next edition. We apologize for any unintentional error.*

## New Office Bearers of APL Workers' Union 2022-23

President : Sri Joydeep Dam
Vice-President : Sri Jadu Nath Gogoi
General Secretary: Sri Jitul Gogoi
Organising Secretary : Mrs. Archana Bhuyan Gogoi
Treasurer : Sri Gyandeep Gogoi
Field Secretary : Sri Bidyut Pratim Das

Executive Member: Sri Himanta Konwar, Sri Jiten Borah, Sri Nabajyoti Gogoi, Sri Puna Sonowal

General Councillor :
Sri Lohit Chandra Gogoi, Sri Mridu Paban Sarmah, Mrs. Smriti Rekha Dutta, Sri Tankeswar Chetia, Sri Utpal Hazarika.